জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০/২০২১

<u>ডিগবৈৰ টিংৰাই বজাৰত কালি সংঘটিত হোৱা গ্ৰেনেড বিস্ফোৰণস্থলী পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

**নিহত ব্যক্তিৰ পৰিয়াললৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্য ৰাজ্য চৰকাৰে প্ৰদান কৰিব**

**উক্ত ঘটনাত নিহত হোৱা সুৰজিৎ তালুকদাৰৰ গৃহলৈ গৈ মুখ্যমন্ত্ৰীৰ সমবেদনা জ্ঞাপন**

**দিছপুৰ, ১৫ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাৰ ডিগবৈৰ সমীপৰ টিংৰাই বজাৰত কালি সংঘটিত হোৱা গ্ৰেনেড বিস্ফোৰণস্থলী পৰিদৰ্শন কৰি ঘটনাৰ সবিশেষ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই গ্ৰেনেড বিস্ফোৰণত নিহত সুৰজিৎ তালুকদাৰৰ গৃহলৈ গৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰে। আজিৰ এই পৰিদৰ্শনৰ সময়ত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে তৰংগ গগৈ, ভাস্কৰ শৰ্মা, ৰূপেশ গোৱালা, সুৰেন ফুকন, বলীন চেতিয়া, তিনিচুকীয়া জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক; মাৰ্ঘেৰিটা মহকুমাৰ মহকুমাধিপাতি, মহকুমা আৰক্ষী বিষয়া উপস্থিত আছিল।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে শান্তি-সম্প্ৰীতি বিনষ্ট কৰা এই ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক আৰু গৰিহণাৰ যোগ্য। এই ঘটনাত জড়িত সকলৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণৰ বাবে ইতিমধ্যে আৰক্ষী প্ৰশাসনক নিৰ্দেশ দিয়া হৈছে। মৃত দুয়োগৰাকী ব্যক্তিৰ পৰিয়াললৈ ৰাজ্য চৰকাৰে ৫ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়াব। এই ঘটনাত আহত হৈ ডিব্ৰুগড়ৰৰ অসম চিকিৎসা মহাবিদ্যালয়ত দুগৰাকী ব্যক্তি চিকিৎসাধীন হৈ আছে। এই দুগৰাকী ব্যক্তিৰ চিকিৎসা ভালদৰে কৰাৰ বাবে প্ৰশাসনক ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে। ৰাজ্যখনত যাতে শান্তিৰ পৰিৱেশ অটুত থাকে তাৰ বাবে সকলোকে সহযোগিতা আগবঢ়াবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

**গুঃ চ ঃ / বঃভাঃ / পুঃডেঃ**
**১৫/০৫/২০২১**